অধ্যায়- ১৩ সামান্য ঃ বস্তুবাদ (প্লেটো আৰু এৰিষ্ট'টল)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সামান্য ঃ ইয়াৰ প্ৰকৃতি আৰু মতবাদসমূহ
১৩.৪ বস্তুবাদ
১৩.৪.১ প্লেট'ৰ বস্তুবাদ
১৩.৪.২ এৰিষ্ট'টলৰ বস্তুবাদ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্ৰশ্ন
১৩.১ উদ্দেশ্য

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সামান্যৰ সমস্যাৰ বিষয়ে জানিবলৈ সুবিধা পাব
- সামান্য আৰু বিশেষ মাজৰ পাৰ্থক্যটোৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- সামান্যৰ মতবাদ সম্পৰ্কে জানিবলৈ সুবিধা পাব
- বস্তুবাদ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব
- প্লেট' আৰু এৰিষ্ট'টলৰ সামান্য বস্তুবাদৰ মতবাদ সম্পৰ্কে জানিবলৈ সুবিধা পাব।

১৩.২ পৰিচয় ঃ

এই অধ্যায়টিয়ে আপোনালোকক আমাৰ অভিজ্ঞতা, চিন্তা আৰু ভাষাৰ পৰা উদ্ভৱ হোৱা সামান্যৰ সমস্যাবোৰৰ সৈতে পৰিচয় কৰিব। বিশেষ বস্তুবোৰ দেশ আৰু কাল (Space & Time) ত অস্তিত্বশীল, এই সাধাৰণ অভিজ্ঞতাৰ ই হৈছে এক বিষয়। এখন চকী, এখন মেজ, এটা গৰু, ৰঙা ৰং, এজোপা গছ আদিৰ দৰে বিশেষ বিশেষ বস্তুবোৰ এক বিশেষ দেশ আৰু এক বিশেষ কালত অস্তিত্বশীল। সিহঁত এটাৰ পৰা আনটো পৃথক আৰু সম্পূৰ্ণৰূপে অনন্য। তথাপিও আমি আমাৰ বন্ধু-বৰ্গক সিহঁতৰ নিজস্ব নামেৰে সম্বোধন কৰাৰ দৰে কিন্তু বিশেষ সমূহৰ প্ৰত্যেককে আমি এক নিৰ্দিষ্ট নামেৰে নামাতো। ইয়াৰ পৰিবৰ্তে আমি সিহঁতৰ কেতবোৰ গোট গঠন কৰোঁ,

সিহঁতক এক সমূহবোধক নাম প্রদান কৰোঁ, সিহঁতবোৰক এক বিশেষ শ্রেণীৰ অন্তর্ভূক্ত হিচাপে দেখুওৱায়। এতিয়া প্রশ্ন হয়- এটা বিশেষ শ্রেণীৰ অন্তর্গত কৰিবলৈ কিহে সহায় কৰে? সিহঁতক এটা গোট বা শ্রেণীৰ মাজত বান্ধি ৰাখিবলৈ কৰা আমাৰ চেষ্টাক কিহে সমর্থন আগবঢ়ায়? 'গৰু'ৰ মাজত অসংখ্য পার্থক্য থকা স্বত্ত্বেও কিয় 'সকলো গৰু'ক 'গৰু' শব্দটোৰে নামাকৰণ কৰা হয়? ইয়েই আচল সাৰ (Essence) নেকি, যাক এটা শ্রেণীৰ সকলো অঙ্গৰ দ্বাৰা সাধাৰণভাৱে অংশ লয়? নাইবা সিহঁতৰ মাজত ই সৰলভাৱে সাদৃশ্যতা নেকি? গতিকে ক'বলৈ গ'লে সামান্যৰ সমস্যা এইবোৰ প্রশ্নৰ লগতে জড়িত।

১৩.৩ সামান্য ঃ ইয়াৰ প্রকৃতি আৰু মতবাদসমূহ

প্রকৃতিত বস্তুবোৰৰ জ্ঞানৰ প্রধানকৈ আমি দুটা বহল ভাগ থকা দেখা পাওঁ- ঈন্দ্রিয়াগত (Sensuous) আৰু ধাৰণা বা প্রত্যয় মূলক (Conceptual)। ঈন্দ্রিয়জ জ্ঞানে এটা বস্তুক এক বিশেষ দেশ আৰু কালত উপস্থাপন কৰে। সেয়ে আমি বস্তুৰ অনেকতাৰ বিশেষ জ্ঞানহে লাভ কৰোঁ, যেনে- এখন চকী, এখন মেজ, এজন মানুহ, এটা গৰু, এটা ৰঙা ৰং ইত্যাদি। আনহাতে, ধাৰণাগত বা প্রত্যয়গত জ্ঞানে বিশেষ বা স্বতন্ত্রতাৰ কোনো বর্ণনা নোহোৱাকৈয়ে এটা বস্তুৰ উপস্থাপন কৰে। সামান্য দেশ আৰু কালৰ সীমাৰে সীমিত নহয়। তথাপিও, ই এনে এক বস্তু বা বিষয়, যাৰ অবিহনে আমি বিশেষৰ কথা চিন্তাই কৰিব নোৱাৰো। যদিও আমি বিশেষ বিশেষ বস্তুবোৰ চাৰ পাৰো নাই স্পর্শ কৰিব পাৰোঁ; তথাপি সিহঁতক চিন্তা কৰা আৰু সিহঁতৰ বিষয়ে আলোচনা কৰাৰ বাবে আমি সাধাৰণ ধাৰণা ব্যৱহাৰ কৰিবই লাগিব। কিয়নো, এটা নির্দিষ্ট শ্রেণীৰ অন্তর্ভূক্ত হিচাপে সিহঁতক আমি প্রত্যক্ষ কৰোঁ। বিশেষ বস্তু সমূহৰ কেতবোৰ সাধাৰণ ধর্ম থাকে, যাৰ বাবে সিহঁতক একেলগে এটা শ্রেণীৰ অন্তর্ভূক্ত কৰা হয় আৰু একেটা নামেৰেই সম্বোধন কৰা হয়। ৰঙা, বগা, হালধীয়া, নীলা, সেইজীয়া আদিৰ মাজত কিবা সাদৃশ্য থকাৰ হেতু সিহঁতক 'ৰং'ৰ শ্রেণীত অন্তর্ভূক্ত কৰা হয়। ঠিক সেইদৰে, গৰু, কুকুৰ, মেকুৰী, ঘোঁৰা ইত্যাদিৰ মাজত সাধাৰণ ধর্ম লক্ষ্য কৰি আটাইকে জন্তুৰ শ্রেণীত অন্তর্ভূক্ত কৰা হয় আৰু 'জন্তু' এই একেটা নামেৰেই সকলোকে সম্বোধন কৰা হয়। এটা শ্রেণীৰ সকলো সদস্যৰ মাজত যি সাধাৰণভাৱে উপস্থিত থাকে, তাকে কোৱা হয় 'সামান্য' (Universal)। একে জাতি-ধর্ম বিশিষ্ট্য বস্তু সমূহক এক বিশেষ শ্রেণীৰ অন্তর্ভূক্ত কৰি বিশেষ নামেৰে নামাকৰণ কৰা হয়। গতিকে, যি সাধাৰণ ধর্ম কোনো শ্রেণীৰ অন্তর্গত প্রতিটো বস্তু বা প্রাণীৰ ক্ষেত্রত সমভাৱে উপস্থিত থাকে, তাকে সামান্য বোলা হয়।

এতিয়া, দার্শনিক সকলৰ মনত প্রায়ে জাগ্রত হোৱা জটিল প্রশ্ন সমূহ হ'ল- বস্তুৰ এটা সমাহাৰ বা গোটৰ মাজত সাধাৰণ কি? কেনেধৰণৰ বস্তু সামান্য? যিবোৰ বস্তুগত ভাৱে সত্য, তাৰ ক্ষেত্রত সামান্য থাকেনে? নাইবা ই কেৱল এক শব্দহে নেকি যে সিহঁতৰ অন্তর্গত বিশেষ বোৰৰ মাজত সাদৃশ্যতা লক্ষ্য কৰি তাক বস্তু সমূহৰ এটা গোটৰ বাবে আমি ব্যৱহাৰ কৰোঁ। দার্শনিক সকলে তেওঁলোকৰ নিজা নিজা দৃষ্টিভঙ্গীৰে এইবোৰ প্রশ্নৰ উত্তৰ আগবঢ়াইছে। যিহেতু

তেওঁলোকৰ মতামত সমূহ ভিন্ন, সেয়ে সামান্যৰ স্বৰূপ বা প্ৰকৃতি সম্বন্ধে আমি কেইবাটাও ভিন্ন মতবাদ দেখিবলৈ পাওঁ। যেনে- বস্তুবাদ (Realism), প্ৰত্যয়বাদ বা ধাৰণাবাদ (Conceptualism), নামবাদ (Nominalism) ইত্যাদি। এই সকলোবোৰ মতবাদৰ সমৰ্থক ভাৰতীয় আৰু পাশ্চাত্য উভয় দৰ্শনতে থকা দেখা যায়।

বস্তুবাদ হৈছে এক মতবাদ, যাৰ মতে সামান্যৰ বস্তুসত্ত্বা আছে; ই মনোগত ধাৰণা বা প্ৰত্যয় মাথো নহয়। ইয়াৰ স্বতন্ত্ৰ সত্ত্বা আছে। ই হৈছে এটা শ্ৰেণীৰ সকলো সদস্যৰ মাজত সমভাৱে উপস্থিত থকা সাৰতত্ব। প্ৰত্যয়বাদে উল্লেখ কৰে যে সামান্য হৈছে আমাৰ মনৰ এক ধাৰণা বা প্ৰত্যয়; ই সম্পূৰ্ণৰূপে এক মানসিক সত্ত্বা। মন বহিঃভূত কোনো বস্তুৰ মাজত সামান্য নাথাকে। নামবাদৰ মতে, সামান্য কেৱল মাত্ৰ এক নাম বা শব্দ। এই মতবাদ অনুযায়ী বহুসংখ্যক বেলেগ বেলেগ বিশেষৰ বাবে ব্যৱহাৰ কৰাৰ দ্বাৰা নাম সমূহ সামান্য কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলত দিয়া উক্তি সমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) নাৰীত্ব সামান্য। (শুদ্ধ অশুদ্ধ)

(খ) গছ, গৰু, মেজ আদি বিশেষ নহয়। (শুদ্ধ অশুদ্ধ)

(গ) ঈন্দ্ৰিয়জ জ্ঞানে এটা বস্তুক এক বিশেষ দেশ আৰু কালত উপস্থাপন কৰে। (শুদ্ধ অশুদ্ধ)

(ঘ) প্ৰত্যয়মূলক জ্ঞানে বিশেষৰ কোনো বৰ্ণনা নোহোৱাকৈয়ে এটা বস্তুক উপস্থাপন কৰে। (শুদ্ধ/অশুদ্ধ)

(ঙ) বস্তুবাদ মতবাদ অনুসৰি সামান্য মননিৰ্ভৰ। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ঃ সামান্যৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৩ঃ বিশেষ কি?

প্ৰশ্ন নং ৪ঃ সামান্যৰ প্ৰধান মতবাদ কেইটা উল্লেখ কৰক।

প্ৰশ্ন নং ৫ঃ এটা বাক্যত নামবাদৰ সংজ্ঞা আগবঢ়াওক।

প্ৰশ্ন নং ৬ঃ প্ৰত্যয়বাদ কি?

১৩.৪ বস্তুবাদ (Realism)

বস্তুবাদে পোষণ কৰে যে সামান্য জ্ঞেয় মনৰ বাহিৰত স্বতন্ত্ৰশীল। ইয়াৰ বস্তুনিষ্ঠ সত্ত্বা আছে। এটা শ্ৰেণীৰ অন্তৰ্গত সকলোবোৰ সদস্যৰ মাজত সামান্য সমভাৱে উপস্থিত থকাৰ বাবে ই সাৰতত্ব। তথাপি, এই মতবাদ অনুগামী সকলৰ হাতত ই বিভিন্ন আকাৰ লাভ কৰিছে, যিহেতু তেওঁলোকে

নিজা নিজা দৰ্শনৰ ফালৰ পৰা ভিন্ন মতামত আগবঢ়াইছে। যেতিয়া কিছুমানে আকৌ তাক বিশেষণীয় ৰূপতহে স্বীকাৰ কৰিছে। তৎস্বত্বেও তেওঁলোক সকলোৱে বস্তুবাদৰ মূল ধাৰণাৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াইছে। এইদৰে ভাৰতীয় আৰু পাশ্চাত্য উভয় কোণৰ পৰা আমি এই মতবাদৰ সমৰ্থক সকলক দেখা পাওঁ। সেয়া হৈছে ন্যায়-বৈশেষিক, মীমাংসা, এৰিষ্টটল, প্লেট', চেইণ্ট আগষ্টিন, চেইণ্ট থোমাচ একুইনাচ, বট্ৰাণ্ড ৰাছেল, জি. ই. মুৰ আৰু আলেকজেণ্ড্ৰাৰ। ইয়াত অৱশ্যে বস্তুবাদৰ মূখ্য উপদেষ্টা প্লেট' আৰু এৰিষ্টটলৰ মতবাদকহে আমি সংক্ষেপে আলোচনা কৰিম।

১৩.৪.১ প্লেট'ৰ বস্তুবাদ

প্লেট'ৰে চৰম বস্তুবাদৰ পৃষ্ঠপোষকতা কৰিছে। তেওঁৰ বাবে সামান্য হৈছে প্ৰকৃত, এক সত্ত্বা যি মনৰ ওপৰত নিৰ্ভৰ নকৰাকৈ এক দেশ-কালাতীত জগতত অস্তিত্বশীল। দেশ আৰু কালৰ জগতত বিশেষৰ ক্ষেত্ৰত যি নঘটক লাগে, তাৰ দ্বাৰা ই প্ৰভাৱিত নহয়। প্লেট'ৰ মতে সামান্য কেৱল মনোগত নহয়, সামান্যৰ বাস্তৱ অস্তিত্বও আছে। প্লেট'ৰে দুই প্ৰকাৰৰ সত্ত্বাৰ অস্তিত্ব স্বীকাৰ কৰি দুখন ভিন্ন জগতৰ উল্লেখ কৰিছে- দেশ-কাল স্থিত বিশেষৰ জগত আৰু দেশ-কালাতীত সামান্যৰ জগত। সেয়ে প্লেট'ৰ এই মতবাদক দ্বি-জাগতিক মতবাদ (Two World Theory) বুলিও জনা যায়।

প্লেট'ৰে তেওঁৰ ধাৰণাৰ মতবাদত সামান্য সত্ত্বাৰ অস্তিত্বৰ পক্ষে সমৰ্থন আগবঢ়াইছে, যি বিশেষ বস্তু সমূহৰ পৰা পৃথক। তেওঁ সাব্যস্ত কৰে যে এক শ্ৰেণীৰ অন্তৰ্গত সকলো বস্তুৰে এক সাধাৰণ সাৰমৰ্ম থাকিবই। তেওঁৰ মতে, এটা বস্তু টেবুল হ'ব নোৱাৰে যেতিয়ালৈকে তাৰ মাজত 'টেবুলত্ব' (Tablehood) ৰ সাৰ নাথাকে, যি অন্যান্য সকলো 'টেবুল'তেই উপস্থিত থাকে। আকাৰ, আকৃতি আৰু ৰঙ আদিৰ ক্ষেত্ৰত এখন টেবুল আন সকলো টেবুলৰ পৰা পৃথক হ'ব পাৰে; কিন্তু ইয়াৰ এক একক ৰূপ বা মূল থাকিবই লাগিব যিয়ে সিহঁতক এখন 'টেবুল' হোৱাত সংগঠন কৰে আৰু যিয়ে সিহঁতক আন বস্তু সমূহ যেনে- চকী, বিচনা নাই দৰ্জা আদিৰ পৰা পৃথক কৰে। সেয়ে প্লেট'ৰে ভাৰে যে আমি সদায় বিশেষৰ প্ৰত্যেক শ্ৰেণীৰ বাবে এটা এক ৰূপ স্বীকাৰ্য্য কৰি ল'ব লাগে, যাক আমি একে নামেৰে সাব্যস্ত কৰিব পাৰো। ই বিশেষ্যৰ দ্বাৰা নিৰ্দেশিত যেনে- চকী, মেজ, বিচনা, গছ আদিৰ দৰে বস্তু বোৰবোৰেই কেৱল সত্যতা নহয়, বৰঞ্চ বিধেয়ৰ দ্বাৰা নিৰ্দেশিত গুণ সমূহবো সত্যতা। যেনে- ধুনীয়া, ওখ, দীঘল, ডাঙৰ, সৰু ইত্যাদি। যিদৰে সকলো মেজৰ ক্ষেত্ৰতে সাধাৰণ 'মেজত্ব'ৰ এক ৰূপ বা সাৰতত্ব থাকিবই লাগিব, সেয়ে সকলো কুৎচিত বস্তুৰ ক্ষেত্ৰত সাধাৰণ 'কুৰূপত্ব'বো এক ৰূপ বা সাৰতত্ব থাকিবই লাগিব। প্লেট'ৰে এইবোৰ বস্তুগত সাৰতত্বক 'ধাৰণা' নাইবা 'আকাৰ' আখ্যা দিছে।

সেয়েহে, প্লেট'ৰ মতে, সামান্য নাইবা আকাৰ আৰু ইন্দ্ৰিয়জ বস্তু নাইবা বিশেষৰ মাজত এক চৰম পাৰ্থক্য আছে। সামান্য হৈছে বস্তু সমূহৰ স্বভাৱত থকা চানেকী, আনহাতে, বিশেষ বস্তুবোৰক সিহঁতৰ কল্পনাতে পোৱা যায় আৰু সেয়ে 'আকাৰ'ৰ এক ৰূপতাও থকা দেখা যায়।

'আকাৰ' সমূহে নিজে নিজৰ মাজত অস্তিত্বশীল হৈ থাকে। প্লেট'ৰ মতে সামান্য সমূহ হৈছে দ্ৰব্য (Substance)। দ্ৰব্য হৈছে সি, যাৰ 'সমগ্ৰতা' নিজৰ মাজতে নিহিত থাকে আৰু যিয়ে নিজৰ বাহিৰে আন একো বস্তুৰ পৰা ইয়াৰ সত্যতা নিঃসৰণ নকৰে। ই আন সকলো বস্তুৰে ভিত্তি, কিন্তু নিজৰ বাদে ইয়াৰ কোনো ভিত্তি (Ground) নাথাকে। এই অৰ্থত সামান্য হৈছে স্বয়ং কাৰক (Self-Cause) আৰু স্ব-নিৰ্দ্ধাৰিত (Self-determined), সিহঁত সম্পূৰ্ণ আৰু চৰম সত্ত্বা। আনহাতে, বিশেষ সমূহ স্ব-কাৰক আৰু স্ব-নিৰ্দ্ধাৰিত নহয়; সিহঁত সম্বন্ধ বিষয়ক, কিয়নো সিহঁতৰ অস্তিত্বৰ বাবে আন বস্তুৰ ওপৰত সিহঁত নিৰ্ভৰশীল। বিশেষ বস্তুবোৰৰ বিপৰীতে, সামান্যবোৰ হৈছে চিন্তা। যিকোনো বিশেষ বস্তুৰ লেখিয়াকৈ সামান্যক প্ৰকৃতি জগত বিচাৰি পোৱা নাযায়। সামান্য শব্দ 'গৰু' বুলি জগতত একো নাই। যেই হওঁক, এই ক্ষেত্ৰত 'চিন্তা'ক 'মোৰ চিন্তা', 'আপোনাৰ চিন্তা' নাইবা 'ঈশ্বৰৰ চিন্তা'ৰ ৰূপত গ্ৰহণ কৰাটো উচিত নহয়। কিয়নো এই কথা ভৰাটো অযুক্তিকৰ হ'বযে আমাৰ চিন্তা বিশ্বজগতৰ কাৰণ হ'ব পাৰে। সিহঁত আত্মগত ধাৰণা নহয়, বৰঞ্চ সিহঁতৰ নিজৰ ওপৰত সত্যতা বা বাস্তৱতা থকা বস্তুগত ধাৰণা। সামান্যৰ ধাৰণা ঐক্যতাৰ ধাৰণা। ই বহুতৰ মাজত এক, কিন্তু বিশেষ বস্তুবোৰ বহুত। 'ঘোঁৰা'ৰ ধাৰণা এটা, কিন্তু ঘোঁৰা সংখ্যাত বহু। বস্তুৰ প্ৰত্যেক শ্ৰেণীৰ বাবে এটাতকৈ বেছি ধাৰণা থাকিব নোৱাৰে। সামান্য অপৰিৱৰ্তনীয় আৰু অবিনশ্বৰ। আনহাতে, বিশেষ সমূহ সদা-পৰিৱৰ্তনীয় আৰু অনিত্য।

এইবোৰ পাৰ্থক্য থকা স্বত্ত্বেও সামান্য আৰু বিশেষৰ মাজত এক ঘনিষ্ট সম্পৰ্ক আছে। সিহঁত দুয়োৰে মাজৰ সম্পৰ্কক দুই ৰকমেৰে বৰ্ণনা কৰিব পৰা যায় ঃ-

(১) ধাৰণাত বিশেষ বস্তু সমূহৰ অংশগ্ৰহণ হিচাপে,

(২) বিশেষ বস্তুৰ দ্বাৰা ধাৰণাৰ এক অনুকৰণ হিচাপে, বিশেষ বস্তু ধাৰণাৰ নকল হয় আৰু ধাৰণা দৃষ্টান্ত হয়।

এতিয়া, যিহেতু সামান্যক ইন্দ্ৰিয় প্ৰত্যক্ষত পাব পৰা নাযায়, ইয়াত উপযুক্ত প্ৰশ্ন এয়ে যে- সিহঁতক কিদৰে জানিব পৰা যায়? তথাপিও প্লেট'ৰ উত্তৰ কাল্পনিক। কাৰণ তেওঁ কৈছিল যে আত্মাতহে সামান্য আছে (প্লেট'ৰ ভাষাত বিশুদ্ধ আকাৰ নাইবা ধাৰণা), যি বৰ্তমান শৰীৰত চামিল হোৱাৰ আগেয়ে নিৰাকাৰ জগতত বাস কৰে। বৰ্তমান জীৱনত যেতিয়া আমি পাৰ্থিৱ জগতত পাহৰি যোৱা 'আকাৰ' স্মৰণ কৰো। আকৌ 'Timacus' নামৰ গ্ৰন্থত প্লেট'ৰে কৈছিল যেআকাৰৰ আৰ্হি অনুযায়ী ঈশ্বৰে এই জগতৰ বস্তুবোৰ সৃষ্টি কৰে। ই ইয়াকে বুজায় যে, ধাৰণা বা আকাৰ কেৱল ইন্দ্ৰিয়গ্ৰাহ্য জগতখনৰ পৰাই নহয়, বৰঞ্চ ঈশ্বৰৰ পৰাও বেলেগকৈ অস্থিত্বশীল হয়। সেয়েহে, ধাৰণাবোৰ বতাহে ওপঙি থকা কিবা এক বস্তু বা বিষয়।

প্লেট'ৰে পদানুক্ৰমত উচ্চ আৰু নিম্ন ৰূপত সম্বন্ধযুক্ত আকাৰ নাইবা ধাৰণাৰ বিভিন্ন প্ৰকাৰৰ স্তৰৰ বিষয়েও কৈছে। এটা ধাৰণাৰ দ্বাৰা বহুতো স্বতন্ত্ৰ বস্তু পৰিচালিত হোৱাৰ দৰে, যি সিহঁতৰ সাধাৰণ উপাদান বহুতো ধাৰণা এক উচ্চ ধাৰণাৰ দ্বাৰা পৰিচালিত হয়, যি সিহঁতৰ মাজৰ এক সাধাৰণ উপাদান। আকৌ, অন্যান্য বহুতৰ সৈতে একেলগে এই উচ্চ ধাৰণাৰ ওপৰতো এক উচ্চ ধাৰণাই পৰিচালনা কৰে। উদাহৰণস্বৰূপে কেতবোৰ ধাৰণা বগাত্ব, ক'লাত্ব, নীলাত্ব,

ৰঙাত্ব ইত্যাদি 'ৰঙ' নামৰ ধাৰণাটোৰ অন্তর্গত। টেঙা, জ্বলা, তিতা আদি ধাৰণা সকলোবোৰ 'সোৱাদ' ধাৰণাৰ অন্তর্গত। এতিয়া ৰঙৰ ধাৰণা আৰু সোৱাদৰ ধাৰণা দুয়োটায়ে এক উচ্চ ধাৰণা 'গুণ' (Quality) ৰ অন্তর্গত। এইদৰেই ধাৰণা সমূহে নিচেই ওপৰৰ অংশৰ সৈতে এক পিৰামিদৰ আকাৰ গঠন কৰে। এইবোৰ সকলো ধাৰণাৰ ওপৰত আকৌ এক অতি উত্তম ধাৰণা থাকিবই লাগিব, যি সিহঁত সকলোৰে সর্বপ্রধান। ই হৈছে শেষ আৰু পৰ সত্য বা সত্ত্বা। ই হৈছে নিজৰেই ভিত্তি আৰু লগতে আন আন ধাৰণা সমূহ আৰু সমগ্র বিশ্বৰে ভিত্তি স্বৰূপ। প্লেট'ৰে এই ধাৰণাক 'শ্রেয়' (Good) আখ্যা দিছে। এইদৰেই আমি দেখা পাঁও যে, যদিও ধাৰণা সংখ্যাত বহু, কিন্তু সিহঁতে এক একক ধাৰণাৰ নিচেই ওপৰত স্থান পায়। চমুকৈ ক'বলৈ গ'লে এক অতি উত্তম ধাৰণাক নিচেই ওপৰত ৰাখি ধাৰণা সমূহে এক সু-সংবদ্ধ ব্যৱস্থা সংগঠন কৰে যি হৈছে ইয়াৰ ঐক্যতাৰ উচ্চতম অভিব্যক্তি। প্রত্যেক স্বতন্ত্র ধাৰণা একৰ মাজত বহু। নিজৰ মাজত ধৰিলে ই এক আৰু আনৰ সম্বন্ধত ই বহু।

১৩.৪.২ এৰিষ্টটলৰ বস্তুবাদ

এৰিষ্টটলে বস্তুগত সামান্যৰ ৰহস্যময়ী জগতখনক অস্বীকাৰ কৰিছে। তেওঁ বস্তুবাদৰ এক সাম্য আৰ্হি বা ৰূপৰ পক্ষ সমর্থন কৰিছে। তেওঁৰ মতে সামান্য একেবাৰে যথার্থ নহয়, বৰঞ্চ বিশেষত নিহিত এক ধর্মহে। প্লেট'ৰে সামান্যক বিশেষ্যৰ ৰূপত গ্রহণ কৰিছে। তাৰ পৰিবর্তে এৰিষ্টটলে সামান্যক বিশেষণৰ ৰূপত গ্রহণ কৰিছে। এৰিষ্টটলৰ মতে, সামান্য আৰু বিশেষৰ মাজত এক তর্কীয় আন্তনির্ভৰশীলতাৰ সম্পর্ক আছে। প্রত্যেকখন চকী যদি 'চকী' হোৱাৰ ধর্ম নাথাকে, তেন্তে 'চকী' বুলি যিদৰে কোনো বস্তু নাথাকে 'চকী'ৰ অস্তিত্ব নথকাকৈও 'চকীত্ব' ধর্মৰো কোনো অস্তিত্ব নাথাকে।

এৰিষ্টটলে প্লেট'ৰ সামান্য সম্পর্কীয় মতবাদটোক কঠোৰভাৱে সমালোচনা কৰিছে আৰু 'ধাৰণা'ক সমুলি অপ্রয়োজনীয় বুলি মানি লৈছে। প্লেট'ৰ ধাৰণাৰ মতবাদটোৰ বিৰুদ্ধে এৰিষ্টটৰ আপত্তি সমূহ হৈছে এনে ধৰণৰ-

(১) প্লেট'ৰে ব্যাখ্যা কৰিবলগীয়া বস্তুবোৰক অপ্রয়োজনীয় ভাৱে সংখ্যাত দুগুণ কৰিচে। আকাৰ বা ধাৰণা সমূহ বিশেষ বস্তুবোৰৰ দৰে বহু, যাৰ কাৰণ ধাৰণা সমূহ নিজে। প্লেট'ৰে পোষণ কৰে যে একেটা নাম বহনকাৰী প্রত্যেক বস্তুৰ সৈতে সঙ্গতি থকা এক সত্ত্বা আছে, যি বিশেষ বস্তুবোৰৰ পৰা স্বতন্ত্রভাৱে অস্তিত্বশীল। এনে ধৰণৰ স্বীকার্য্যই কোনো সমস্যা সমাধান নকৰে, কিয়নো ই ভিন্ন স্বৰত পুনৰাবৃত্তি ঘটায়। বিশেষৰ ক্ষেত্রত সৃষ্টি হোৱা একে প্রশ্ন আকাৰ নাইবা ধাৰণাৰ ক্ষেত্রতো সৃষ্টি হয়। সেয়েহে, কেৱল বস্তুৰ পূৰণ নাইবা সংখ্যা বৃদ্ধিক যিকোনো সমস্যাৰ সমাধান বুলিব নোৱাৰি।

(২) প্লেট'ৰ ধাৰণা বস্তুৰ অস্তিত্ব ব্যাখ্যা কৰাৰ ক্ষেত্রত অসফল। দর্শনৰ প্রধান সমস্যা হৈছে বস্তু কিয় অস্তিত্বশীল, তাক ব্যাখ্যা কৰা। প্লেট'ৰ ধাৰণাৰ মতবাদক অনুসৰণ কৰি আমি ইয়াক ব্যাখ্যা কৰিব নোৱাৰো। আনকি যদি আমি গ্রহণ কৰো যে 'বগাত্ব'ৰ ধাৰণাৰ

অস্তিত্ব আছে, তথাপি আমি প্রত্যক্ষ কৰিব নোৱাৰিম যে ই কেনেকৈ বগা বস্তুবোৰ উৎপন্ন কৰে।

(৩) যদিও বস্তুৰ অস্তিত্বক ব্যাখ্যা কৰা যায়, কিন্তু সিহঁতৰ গতি ব্যাখ্যাৰ অবিহনেই ৰৈ যাব। বস্তুৰ জগতখন পৰিবর্তন, গতি, জীৱন আৰু পৰম সত্ত্বাৰ জগত। কিন্তু প্লেট'ৰ ধাৰণাৰ মতবাদে এই মূল কথাটো ব্যাখ্যা কৰিব পৰা নাই। প্লেট'ৰ মতে বগাত্বৰ ধাৰণাই বগাবস্তু উৎপন্ন কৰে, 'ধুনীয়া' ধাৰণাই ধুনীয়া বস্তুক সৃষ্টি কৰেইত্যাদি। কিন্তু, যিহেতু নিজে নিজৰ মাজত অপৰিবর্তনশীল, গতিহীন, সেয়ে বস্তুৰ জগতখন, যি ইয়াৰ নকল, সিত্ত একে হ'ব। এইদৰে জগতখন এক স্থিৰ ৰূপলৈ পৰিবর্তন হ'ব যি অসম্ভৱ।

(৪) প্লেটোৱে ধাৰণা আৰু বিশেষ বস্তুৰ মাজৰ সম্বন্ধক যথোচিতভাৱে ব্যাখ্যা কৰিব পৰা নাই। তেওঁ ভাৱে যে বিশেষ বস্তুবোৰ ধাৰণাৰ 'নকল' (Copies) আৰু সিহঁতে সিহঁতৰ মাজতে অংশ গ্রহণ কৰে। এৰিষ্টটলৰ মতে এনে ধৰণৰ যোগাযোগ উকা দৃষ্টান্ত বা উপমাৰ ওপৰত কথা কোৱাৰ বাহিৰে আন একো নহয়।

(৫) ধাৰণা সমূহ, যাক প্লেট'ৱে অ-ইন্দ্রিয়জ বুলি ভাৱিছে, সিহঁত প্রকৃততে ইন্দ্রিয়মূলকহে। প্লেট'ৱে ভাৱে যে ইন্দ্রিয়গ্রাহ্য জগতখনক ব্যাখ্যা কৰিবলৈ এক অ-ইন্দ্রিয়জ নীতি বিচাৰিবলৈ ই প্রয়োজনী। কিন্তু এনে ধৰণৰ কোনো নীতিৰ বিচাৰ নকৰাকৈয়ে ইন্দ্রিয়গ্রাহ্য বস্তুবোৰক গ্রহণ কৰিছে আৰু সিহঁতক অ-ইন্দ্রিয়জ বুলি স্বীকাৰ কৰিছে। এক অর্থহীন আৰু অপ্রয়োজনীয় 'সাধাৰণতে' (In-General) নাইবা 'নিজৰ মাজতে' (In-Itself), যি ইয়াক এক ভিন্ন ৰূপ দিবলৈ প্রত্যেক ইন্দ্রিয়গত বস্তুৰ লগত জড়িত হৈ থাকে, তাৰ বাদে 'গৰু' আৰু 'গৰুৰ ধাৰণা'ৰ মাজত মুঠতে কোনো পার্থক্য নাই। এৰিষ্টটলে পোষণ কৰে যে ধাৰণাবোৰ সর্বপ্রিয় ধর্মৰ নৰদেহ মূলক ঈশ্বৰৰ দৰে। এইবোৰ প্রকৃতিৰ অনন্তকাল স্থায়ী বস্তুবোৰৰ বাদে আন একো নহয়। তেওঁ প্লেট'ৰ বিৱৰণক এই কথা উল্লেখ কৰি সন্ত্রস্ত কৰি দিয়ে যে বস্তুবোৰ ধাৰণাৰ নকল নহয়, বৰঞ্চ ধাৰণাবোৰহে বস্তুৰ নকল।

(৬) ধাৰণাই বিশষ বস্তুবোৰৰ কাৰণ বুলি কোৱা প্লেট'ৰ মতটোক সত্য বুলি ক'ব নোৱাৰি, কিয়নো গতিৰ কোনো নীতিৰ অবিহনে ধাৰণা সমূহ অপৰিবর্তনীয় আৰ্হিৰ হোৱাৰ হেতু নিমিত্ত কাৰণ হিচাপে ই ক্রিয়া কৰিব নোৱাৰে। আনকি, পৰিণাম কাৰণ হিচাপে প্লেট'ৰ ধাৰণা সম্পর্কীয় যি স্বীকৃতি সিত্ত এই সমস্যা সমাধান কৰিব নোৱাৰে, কাৰণ ই নিমিত্ত কাৰণ (Efficient cause) কব্যাখ্যা কৰিব নোৱাৰে।

(৭) এক স্বতন্ত্র দ্রব্য আৰু এক গুণ হিচাপে এই দুয়ো ক্ষেত্রত আকাৰ বা ধাৰণাৰ সন্দর্ভত প্লেট'ৱে তর্কীয় ভুল কৰিছে। আকাৰ বা ধাৰণা সমূহক স্বতন্ত্র দ্রব্য ৰূপে স্বকীৰ কৰিছে, যিহেতু সিহঁত পৃথক অস্তিত্ব আছে, আৰু সিহঁতক গুণ ৰূপেও গ্রহণ কৰিছে, যিহেতু সিহঁত সামান্য। কিন্তু প্রশ্নটো হ'ল- এটা আৰু একেটা বস্তু কিদৰে স্বতন্ত্র দ্রব্য আৰু গুণ দুয়োটা হ'ব পাৰে? এৰিষ্টটলে যুক্তি দর্শাইছে যে এক স্বতন্ত্র দ্রব্য নাইবা এক 'মৌলিক'

সত্ত্বা' (Primary Being) হ'বলৈ যিকোনো 'সাধাৰণ' (General) ৰ পক্ষে অসম্ভৱ; যিহেতু এক স্বতন্ত্ৰ দ্ৰব্য নাইবা মৌলিক সত্ত্বা এনে এক বস্তু যি এক স্বতন্ত্ৰ বস্তুৰ সৈতে অপৰিচিত। আনহাতে, 'সাধাৰণ' (General) হৈছে এনে, যি বস্তুৰ গোট সমূহৰ ক্ষেত্ৰত সাধাৰণ। এৰিষ্টটলৰ মতে, এটা দ্ৰব্য উদ্দেশ্য (Subject) ৰসৈতে একে য'ত বিধেয়ক আৰোপ কৰা হয়। ই আন কিবা বস্তু বা বিষয় এটা বিধেয় নহয়। সেয়েহে, যদি ধাৰণাক স্বতন্ত্ৰ দ্ৰব্য হিচাপে গণ্য কৰা হয়, তেন্তে সিহঁত সামান্য হ'ব নোৱাৰে; যিহেতু উদ্দেশ্যৰ গুণ বা গুণাৱলী থাকে। আকৌ, ধাৰণাবোৰক যদি সামান্যৰ ৰূপত গণ্য কৰা হয়, তেন্তে সিহঁত স্বতন্ত্ৰ দ্ৰব্য হ'ব নোৱাৰে, যিহেতু সাধাৰণ গুণ বা ধৰ্মই কেতিয়াও 'এইটো কিবা' (This Something) ক নিৰ্দ্দেশ নকৰে, বৰঞ্চ ই 'এনে ধৰণৰ' (This Such)কহে নিৰ্দ্দেশ কৰে। সেয়েহে, ধাৰণাক স্বতন্ত্ৰ দ্ৰব্য আৰু এক সামান্য দুয়োটা বুলি গ্ৰহণ কৰাটো এক তৰ্কীয় অসম্ভৱতা।

(৮) এৰিষ্টটলৰ 'তৃতীয় মানৱ' (Third Man) ৰ যুক্তিটো মনত ৰাখিবলগীয়া। এই যুক্তিটোৱে দৰ্শাই যে এজন স্বতন্ত্ৰ ব্যক্তি অস্তিত্বশীল মানুহৰ মাজত থকা 'মানুহ'ৰ ধাৰণাৰ দৰে আৰু সেয়ে, ইয়াত এজন 'তৃতীয় ব্যক্তি বা মানুহ' থাকিবই লাগিব, য'ত স্বতন্ত্ৰ মানুহৰ ধাৰণা উভয়েই অংশ লয়। ই চক্ৰক দোষ (Infinite Regress) ৰ পিনে গতি কৰায়।

(৯) যদি ধাৰণা সমূহ বস্তুৰ সাৰমৰ্ম, তেন্তে সিহঁত বস্তুৰ মাজতে নিহিত থাকিব লাগিব সিহঁতৰ বাহিৰত নহয়। কিন্তু প্লেটে'ৱে ধাৰণা সমূহক বিশেষ বস্তু সমূহৰ পৰা পৃথক কৰিছে আৰু সিহঁতক এক অসংবেদনীয়, অ-পার্থিৱ আৰু ৰহস্যময়ী জগতত ঠাই দিছে। প্লেটে'ৱে অসঙ্গত কথাৰে তেওঁৰ মতবাদৰ অন্ত পেলাইছে যেন বোধ হয়, যেতিয়া তেওঁ দৃঢ়ভাৱে স্বীকাৰ কৰিছে যে বিশেষ ঘোঁৰাবোৰ অতিক্ৰমি ক'ৰবাত স্বতন্ত্ৰভাৱে অস্তিত্বশীল 'সাধাৰণ ঘোঁৰা' (Horse in General) থাকে। প্লেটে'ৰ 'ধাৰণা'ৰ মতবাদটো আত্মবিৰোধী (Self Contradictory),কিয়নো ই আৰম্ভ হৈছে এই কথাৰ উল্লেখেৰে যে সামান্য প্ৰকৃত বা বাস্তৱ আৰু বিশেষ অবাস্তৱ আৰু শেষ হৈছে বিশেষৰ স্তৰত সামান্যক তললৈ নমোৱাৰ দ্বাৰা।

(১০) আনকি যদি আকাৰ বা ধাৰণাক পৃথকে অস্তিত্বশীল বুলি ধৰা হয়, তেন্তে এইটো কোৱাটো সম্ভৱ নহয় যে কি ক্ষেত্ৰত ই এনে হ'ব আৰু কি ক্ষেত্ৰত এনে নহয়। নিশ্চিতভাৱে ই সকলো বিশেষ নাইবা ব্যক্তিৰ ক্ষেত্ৰত পৃথকে অস্তিত্বশীল হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে; স্বতন্ত্ৰ ব্যক্তি বা মানুহ। এই কথা কোৱাটো অসঙ্গত হ'ব যে সকলো মানুহৰ সাৰমৰ্ম একে, কিয়নো সকলো বিশেষ বস্তু, যাৰ সাৰমৰ্ম একে নাইবা এক, সি নিজেই এক। সাৰমৰ্মক পূৰক আৰু ভিন্ন হিচাপে গ্ৰহণ কৰাটোও অযুক্তিকৰ।

প্লেটে'ৰ ধাৰণা নাইবা আকাৰৰ বিৰোদ্ধে থকা এই সকলোবোৰ সমালোচনা একেলগে কৰি দুটা শিতানত দেখুওৱা হৈছে। প্ৰথমে, ধাৰণাক সম্পূৰ্ণ বা নিখুঁত আৰু স্বতন্ত্ৰ নাইবা পৃথক দ্ৰব্য বোলাৰ দ্বাৰা প্লেটে'ৱে এক অপ্ৰয়োজনীয় আৰু অনাহক দুভাগকৰণ কৰিচে। দ্বিতীয়তে,

প্লেট'ৰে ধর্মৰ সৈতে দ্রব্যৰ প্রবর্গ (Categories of substance) ক বিমোৰত পেলাইছে।

এইদৰে, এৰিষ্টটলে প্লেট'ৰ মতামতটোক বর্খাস্ত কৰিছে যে সামান্য বিশেষ বস্তুবোৰৰ পৰা পৃথকে অস্তিত্বশীল। সামান্য তেনে নহয়, যাৰ আমাৰ অভিজ্ঞতাত পোৱা স্বতন্ত্র বস্তুবোৰতকৈ এক উচ্চতম প্রকৃত সত্বা আছে। ই হৈছে এটা শ্রেণীৰ বহুতো বস্তুত থকা এক সাধাৰণ বিধেয়। সেয়ে, 'গৰু'ৰ ধাৰণাটো সকলো গৰুৰ ক্ষেত্রতে সাধাৰণ। 'গৰু'ৰ ধাৰণাটো বিধেয় 'গৰুত্ব'ৰ সৈতে একে। এতিয়া এই 'গৰুত্ব' 'গৰু'ৰ পৰা পৃথকে থাকিব নোৱাৰে, যি দৰে 'কোমলতা' এটা 'কোমল বস্তু'ৰ পৰা বেলেগ নহয়। বিশেষত সামান্য সত্য এই অর্থত যে ই বিশেষত নিজে নিজকে অনুধাৱন কৰে। প্লেট'ৰ বিপৰীতে, এৰিষ্টটলে পোষণ কৰে যে 'স্বতন্ত্র মানুহ' 'সামান্য মানুহ'ৰ অসম্পূর্ণ নকল নহয়। তেওঁ এজন প্রকৃত মানুহ। তেওঁ 'মানুহ' আখ্যা দিয়া হয় কাৰণ তেওঁৰ মাজত মানুহৰ নির্দ্দিষ্ট আৱশ্যকীয় তথা মৌলিক গুণ সমূহ বিদ্যমান। এইবোৰ আৱশ্যকীয় নিদৃষ্ট গুণ সমূহে মানুহৰ স্বৰূপ বা প্রকৃতি গঠন কৰে। ঠিক তেনেকৈ, এক নির্দিষ্ট প্রকাৰৰ বস্তুৰ অস্তিত্ব বস্তুটোৰ মাজত থকা ধর্ম বা গুণ সমূহৰ দ্বাৰা নির্দ্ধাৰিত হয়। যিহেতু সামান্য নিজে নিজে অস্তিত্বশীল হ'ব নোৱাৰে, সেয়ে সিহঁত দ্রব্য বুলি ক'ব পৰা নাযায়; নাইবা বিশেষ দ্রব্যও হ'ব নোৱাৰে; কিয়নো বিশেষ নাইবা পৃথক বস্তু বুলি একো নাথাকে। যদি 'গৰু'ৰ পৰা 'গৰুত্ব' স্বতন্ত্রভাৱে অস্তিত্বশীল নহয়, তেন্তে 'গৰুত্ব'ৰ পৰাও 'গৰু' স্বতন্ত্রভাৱে অস্তিত্বশীল হ'ব নোৱাৰে। এজনী গৰুৰ আন আন গৰুৰ সৈতে থকা সাদৃশ্যসমূহ আমি যদি পৃথক কৰি পেলাও, তেন্তে আমাৰ বিচাৰি পাবলৈ তাত একোৱেই নাথাকিব কিয়নো সকলো ধর্মকে ইয়াৰ পৰা আতঁৰ কৰি পেলোৱা হৈছে।

এৰিষ্টটল আৰু প্লেট' উভয়ে পোষণ কৰে যে সামান্যৰ জ্ঞান স্বজ্ঞা বা বুদ্ধিৰ জৰিয়তে আহৰণ কৰিব পাৰি। কিন্তু প্লেট'ৰে ইয়াকে অভিজ্ঞতাপূর্ণ (a-priori) হিচাপে স্বীকাৰ কৰিছে আৰু আনহাতে এৰিষ্টটলে ইয়াক অমুর্ত্ত কৰণৰ দ্বাৰা ইন্দ্রিয় অভিজ্ঞতাৰ পৰা নিঃসৃত হয় বুলি স্বীকাৰ কৰিছে।

পূর্বোক্ত আলোচনা সমূহৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে প্লেট'তকৈ এৰিষ্টটলৰ সামান্য সম্পর্কীয় মতবাদটো বেছি সাম্য নাইবা পৰিমিত। তাৰোপৰি এৰিষ্টটলৰ মতবাদটো প্লেট'তকৈ বেছি মিতব্যয়ী, যিহেতু তেওঁ দুখনৰ পৰিবর্ত্তে এখন জগতৰ কথা স্বীকাৰ কৰিছে। প্লেট'ৰ মতবাদটো হৈছে 'Universalia in rebus' অর্থাৎ বস্তুত সামান্য (Universals in things)।

কেতবোৰ বিশেষ দিশত সামান্য সম্পর্কীয় ভাৰতীয় বস্তুবাদী মতবাদৰ লগত এৰিষ্টটলৰ সামান্যৰ মতবাদ একে। এৰিষ্টটলৰ দৰে ন্যায়-বৈশেষিকে পোষণ কৰে যে সামান্য নিজৰ জগতত বিশেষৰ পৰা স্বতন্ত্রভাৱে অস্তিত্বশীল হৈ থাকে। সামান্য সদায় বিশেষ বস্তুবোৰৰ মাজত সিহঁতৰ বিধেয় ৰূপে অৱস্থান কৰে, যি সিহঁতৰ শ্রেণী বিভাজন আৰু সামান্যীকৰণৰ ভিত্তি। তথাপি উভয়ৰে মাজত এক সূক্ষ্ম পার্থক্যও নথকা নহয়। এৰিষ্টটলৰ মতে, বিশেষ বস্তুৰ পৰা স্বতন্ত্র আৰু পৃথক অস্তিত্ব সামান্যৰ নাথাকে। কিন্তু এৰিষ্টটলৰ পৰা বেলেগ আৰু প্লেট'ৰ ঘনিষ্ঠ ৰূপে ন্যায় দর্শনে পোষণ কৰে যে বিশেষৰ পৰা সামান্য অস্তিত্বশীল ভাৱে স্বতন্ত্র যদিও সিহঁতৰ সজাগতাৰ বাবে বিশেষৰ ওপৰত নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ বস্তুবাদৰ প্রধান বিষয় বা প্রসঙ্গ কি?

.....

.....

প্রশ্ন নং ৮ঃ বস্তুবাদৰ কেইজনমান সমর্থকৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ঃ চমুকৈ প্লেট'ৰ বস্তুবাদৰ মতটো উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ১০ঃ প্লেট'ৰ মতে ধাৰণা সমূহক কিদৰে জানিব পাৰি?

.....

.....

প্রশ্ন নং ১১ঃ এৰিষ্টটলৰ বস্তুবাদৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ১২ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক ঃ

(ক) প্লেট'ৰে ধর্ম বা গুণ হিচাপে সামান্যৰ বর্ণনা কৰিছে। (সত্য/অসত্য)

(খ) এৰিষ্টটলে সামান্যক বিশেষণৰ ৰূপত গ্রহণ কৰিছে। (সত্য/অসত্য)

(গ) প্লেট'ৰ মতে, বিশেষক অতিক্রম কৰি এখন পৃথক জগতত সামান্য অস্তিত্বশীল। (সত্য/অসত্য)

(ঘ) এৰিষ্টটলৰ মতবাদ 'Universalia in rebus'। (সত্য/অসত্য)



চিন্তা চর্চা কৰকঃ ১৩.১

প্রশ্ন ঃ প্লেট' আৰু এৰিষ্টটল মাজত কোনজনৰ মতবাদক আপুনি বেছি প্রসংসনীয় বুলি ভাবে?

উত্তৰঃ-

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পূৰ্বোক্ত আলোচনাৰ পৰা আমি যি বুজিলো, সেয়া হৈছে যে সামান্যৰ সমস্যা এক সহজ সমাধান কৰিব নোৱাৰা সমস্যা বা এক জটিল সমস্যা।
- ইয়াত আলোচিত দুয়োটা মতামত নিজা নিজা দৃষ্টিকোণৰ পৰা শুদ্ধ যেন বোধ হয়, যদিও এটাও সমালোচনাৰ উৰ্দ্ধত নহয়।
- তথাপি, সামান্যৰ সাধাৰণ সংজ্ঞাটো হৈছে সামান্য হৈছে সি, যি বিশেষ শ্ৰেণীৰ সকলো সদস্যৰ দ্বাৰা সাধাৰণভাৱে অংশীদাৰ হয় আৰু একে হয় আৰু একে জাতি ধৰ্ম বিশিষ্ট বস্তুবোৰক এটা বিশেষ শ্ৰেণীৰ অন্তৰ্গত কৰি একে বিশেষ নামেৰে সম্বোধন কৰা টো ইয়াৰ ভিত্তি।
- বস্তুবাদৰ মতে, এই সাধাৰণ উপাদানটো মন নিৰপেক্ষ আৰু তাৰ এক বাস্তৱ সত্ত্বা বা অস্তিত্ব আছে।
- প্লেট'ৰ মতে সামান্য অ-দেশীয় আৰু অ-কালিক। আনহাতে, এৰিষ্ট'টলৰ মতে সামান্য বিশেষ বস্তুবোৰৰ মাজত অস্তিত্বশীল।
- সামান্যৰ সমস্যাটো আমাৰ অভিজ্ঞতা, চিন্তা আৰু ভাষাৰ পৰা আহিছে।
- সামান্যই বস্তুবোৰক একেলগ কৰি একোটা গোট সৃষ্টি কৰাৰ ভিত্তিৰ যোগান ধৰে। সিচঁৰিত হৈ থকা বিশেষ বিশেষ বস্তুবোৰৰ মাজত ই এক ঐক্যতা স্থাপন কৰে।
- বস্তুবাদ, প্ৰত্যয়বাদ আৰু নামবাদ হৈছে সামান্য সম্পৰ্কীয় কেইটামান প্ৰধান মতবাদ।
- বস্তুবাদ হৈছে সেইটো মতবাদ, যাৰ মতে সামান্যৰ স্বতন্ত্ৰ সত্ত্বা আছে। এই মতবাদৰ প্ৰধান দাৰ্শনিকদ্বয় হৈছে প্লেট' আৰু এৰিষ্ট'টল।
- প্লেট'ৰ মতে, সামান্যবোৰ প্ৰকৃত নাইবা বিশেষ্য। কিন্তু এৰিষ্ট'টলৰ মতে সিহঁত বিশেষণাত্মক। প্লেট'ৰ মতে সামান্য বিশেষৰ পৰা পৃথক অৱস্থান কৰে। কিন্তু এৰিষ্ট'টলৰ মতে ই অসম্ভৱ।



১৩.৬ অধিক জানিবলৈ

1) Aaron, R.I. (1952) . *The Theory if Universals.* Oxford.

2) Edman, I. (ed.) (1956) . *The Works of Plato.* The Modern Library. New York.

3) Sarma, Dr Ramala (2013). *Theory of Universals.* N.L. Publications : Guwahati.

4) Warrington, J., (ed.) (1961). *Aristotle's Metaphysics.* Everyman's Library : London.

১৩.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য (গ) সত্য (ঘ) সত্য(ঙ) অসত্য

২নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে, সামান্য বুলিলে একে জাতি ধর্ম বিশিষ্ট বস্তু সমূহক এটা বিশেষ শ্রেণীৰ অন্তর্ভুক্ত কৰি বিশেষ নামেৰে নামাকৰণ কৰাৰ ফলত যি সাধাৰণ ধর্ম কোনো শ্রেণীৰ অন্তর্গত প্রতিটো বস্তু বা প্রাণীৰ মাজত সমভাৱে উপস্থিত থাকে আৰু একেটা নামেৰেই সিহঁতক সম্বোধন কৰা হয়, তাকে বুজা যায়।

৩নং প্রশ্নৰ উত্তৰ ঃ বিশেষ বস্তু সমূহ হৈছে সেইবোৰ বস্তু, যিবোৰ এক বিশেষ দেশ আৰু কালত অস্তিত্বশীল। উদাহৰণ স্বৰূপে এখন মেজ, এখন কিতাপ, এটা ৰঙা ৰং, এজোপা গছ, এজনী গাই ইত্যাদি।

৪নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদ (Realism), প্রত্যয়বাদ (Conceptualism) আৰু নামবাদ (Nominalism)

৫নং প্রশ্নৰ উত্তৰ ঃ প্রত্যয়বাদ অনুসৰি সামান্য হৈছে মনৰ এক ধাৰণা বা অৱধাৰণ, ই এক বিশুদ্ধ মানসিক সত্ত্বা। মন বহিঃর্ভুত বস্তুত কোনো সামান্যতা নাথাকে।

৬নং প্রশ্নৰ উত্তৰ ঃ নামবাদৰ মতে, সামান্য হৈছে কেৱল এক নাম বা শব্দ, যাক বিভিন্ন বিশেষৰ এটা গোটৰ ক্ষেত্রত ব্যৱহাৰ কৰাৰ দ্বাৰা সামান্য হিচাপে গঠন কৰা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদৰ প্রধান বিষয় বা প্রসঙ্গ হৈছে যে সামান্য জ্ঞান মন স্তত্ত্র হিচাপে অস্তিত্বশীল। ইয়াৰ বস্তুগত সত্যতা আছে। ই এনে এক সাৰমর্ম, যি এটা শ্রেণীৰ সকলো সদস্যৰ মাজত সমভাৱে উপস্থিত থাকে।

৮নং প্রশ্নৰ উত্তৰ ঃ ন্যায় বৈশেষিক, মীমাংসা, প্লেট', এৰিষ্টটল, চেইণ্ট আগাষ্টাইন, চেইণ্ট থ'মাচ একুইনাছ, বাট্রাণ্ড ৰাছেল, জি. ই মুৰ আৰু আলেকজেণ্ডাৰ হৈছে বস্তুবাদৰ সমর্থক।

৯নং প্রশ্নৰ উত্তৰ ঃ প্লেট'ৰ বস্তুবাদ চৰম বস্তুবাদ। তেওঁৰ মতে, সামান্য হৈছে প্রকৃত, এক সত্ত্বা, যি এক অ-দেশী অ-কালিক জগতত মনৰ ওপৰত নির্ভৰশীল নোহোৱাকৈয়ে অস্তিত্বশীল। দেশ আৰু কালৰ জগতত থকা বিশেষ সমূহৰ ক্ষেত্রত যিয়েই নঘটক তাৰ দ্বাৰা সামান্যৰ ওপৰত একো প্রভাৱ নপৰে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ প্লেটৰ মতে, পূৰ্বস্মৃতিৰ মতবাদৰ জৰিয়তে ধাৰণা সমূহক জানিব পৰা যায়। থেওঁ কৈছিল যে, আত্মাতহে সামান্য আছে (প্লেটৰ ভাষাত বিশুদ্ধ আকাৰ নাইবা ধাৰণা), যি বৰ্ত্তমান শৰীৰত চামিল হোৱাৰ আগেয়ে নিৰাকাৰ জগতত বাস কৰে। বৰ্ত্তমান জীৱনত যেতিয়া আমি একে ধৰণৰ বস্তু প্ৰত্যক্ষ কৰোঁ, তেতিয়া আমি পাৰ্থিৰ জগতত পাহৰি যোৱা 'আকাৰ' বা 'ধাৰণা' স্মৰণ কৰোঁ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ এৰিষ্টটলে বস্তুবাদৰ এক নৰম আকাৰৰ পোষকতা কৰিছে। তেওঁ প্ৰকৃত সামান্যৰ ৰহস্যময়ী জগতখনক অস্বীকাৰ কৰিছে। তেওঁৰ মতে, সামান্য প্ৰকৃত তথা বস্তু মূলক নহয়, ৰঞ্চ বিশেষৰ অন্তৰ্ভুক্ত এক ধৰ্ম নাইবা গুণ। তেওঁৰ বাবে সামান্য আৰু বিশেষৰ মাজত এক আন্তঃনিৰ্ভৰশীলতাৰ সম্পৰ্ক আছে।

১২নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) সত্য (গ) সত্য (ঘ) সত্য



১৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ৰাছেল বস্তুবাদৰ এজন সমৰ্থক হয় নে?

প্ৰশ্ন ২ঃ কোন ভাৰতীয় চিন্তাবিদে বস্তুবাদ মতবাদক পোষণ কৰিছে?

প্ৰশ্ন ৩ঃ সামান্যৰ কোনটো মতবাদে সাৰমৰ্ম (Essence) ক এটা শ্ৰেণীৰ অন্তৰ্গত সকলো বিশেষত অনুৰূপভাৱে উপস্থিত থাকে?

প্ৰশ্ন ৪ঃ বিশেষ কি?

প্ৰশ্ন ৫ঃ সামান্যৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৬ঃ বিশেষৰ কেইটামান উদাহৰণ দিয়ক।

প্ৰশ্ন ৭ঃ প্লেটৰ মতে যিটো মতবাদে কয় যে ধাৰণাক জানিব পাৰি, তাৰ নাম কি?

প্ৰশ্ন ৮ঃ এৰিষ্টটলৰ মতে বিশেষৰ পৰা পৃথককৈ সামান্য অস্তিত্বশীল হয় নে?

প্ৰশ্ন ৯ঃ কোনটো ভাৰতীয় মতবাদে এৰিষ্টটলৰ মতামতক মিলিত কৰিছে?

প্ৰশ্ন ১০ঃ কোনজন দাৰ্শনিক 'শ্ৰেয়ৰ ধাৰণা' (Idea of Good) ৰ সৈতে জড়িত।

খ) চমু প্ৰশ্ন (১০০ ৰ পৰা ১৫০ মান শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ঃ সামান্যৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ বস্তুবাদ কি?

প্ৰশ্ন ৩ঃ সামান্য আৰু বিশেষৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ঃ প্লেটৰ 'শ্ৰেয়'ৰ ধাৰণাৰ ওপৰত এটি চমুটোকা যুগুত কৰক।

প্ৰশ্ন ৫ঃ এৰিষ্টটলৰ মতামত সমূহ কিদৰে ন্যায় বৈশিষক দৰ্শনত মিলিত হৈছে লিখক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ঃ সমালোচনাসহ প্লেটৰ সামান্যৰ মতবাদটো আলোচনা কৰক।

প্ৰশ্ন ২ঃ এৰিষ্টটলে প্লেটৰ ধাৰণাৰ মতবাদক সমালোচনা কৰিছে।

প্ৰশ্ন ৩ঃ এৰিষ্টটলৰ বস্তুবাদ মতবাদৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ঃ কি অৰ্থত এৰিষ্টটলৰ বস্তুবাদ প্লেটৰ মতকৈ বেছি সাম্য?

প্ৰশ্ন ৫ঃ "Hierarchy of Universals" বুলিলে কি বুজে? প্লেটৰ মতামতৰ ওপৰত ভিত্তি কৰি আলোচনা কৰক।

****